**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-06-2026 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী একেৰাহে সৰ্বাধিক সময়ৰ বাবে শাসনৰ দায়িত্বত থকা দেশৰ প্ৰথমগৰাকী নিৰ্বাচিত প্ৰধানমন্ত্ৰীৰূপে পৰিগণিত।

২। চিকিৎসা, শিক্ষা আৰু গৱেষণা বিভাগৰ উদ্যোগত আজি গুৱাহাটীত অসম CSR ROUND TABLE 2.0 শীৰ্ষক অনুষ্ঠান।

৩। চাহ বাগিচা অঞ্চলৰ শিক্ষাৰ্থীৰ বিদ্যালয়ত নিয়মীয়া উপস্থিতি নিশ্চিত কৰাৰ উদ্দেশ্যে বিনামূলীয়া পৰিবহণ সুৰক্ষা-বাহন আঁচনি মুকলি।

আৰু

৪। তৃণমূল কংগ্ৰেছৰ সাংসদ সুস্মিতা দেৱৰ ৰাজ্যসভাৰ সদস্য পদ ত্যাগ।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি একেৰাহে সৰ্বাধিক সময়ৰ বাবে শাসনৰ দায়িত্বত থকা দেশৰ প্ৰথমগৰাকী নিৰ্বাচিত প্ৰধানমন্ত্ৰীৰূপে পৰিগণিত হৈছে। তেওঁ ২০১৪ চনৰ ২৬ মে'ত প্ৰথমবাৰৰ বাবে প্ৰধানমন্ত্ৰীৰূপে শপত গ্ৰহণ কৰিছিল। শ্ৰীমোদীয়ে এই ক্ষেত্ৰত পূৰ্বৰ প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ অভিলেখ ভংগ কৰে। পণ্ডিত নেহৰুৱে ১৯৫২ চনৰ ১৩ মে'ত নিৰ্বাচিত প্ৰধানমন্ত্ৰীৰূপে প্ৰথমবাৰৰ বাবে কাৰ্যভাৰ গ্ৰহণ কৰিছিল আৰু ১৯৬৪ চনৰ ২৭ মে'ত মৃত্যু পৰ্যন্ত তেওঁ দেশৰ প্ৰধানমন্ত্ৰীৰ দায়িত্বত আছিল। তেওঁ একেৰাহে ৪ হাজাৰ ৩৯৮ দিন প্ৰধানমন্ত্ৰীৰ দায়িত্বত আছিল। নৰেন্দ্ৰ মোদীয়ে আজি প্ৰধানমন্ত্ৰীৰূপে ৪ হাজাৰ ৩৯৯ দিনত ভৰি দিছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সৰ্বাধিক সময়ৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে দায়িত্বভাৰ পালন কৰি ইতিহাস ৰচনা কৰাৰ বাবে ৰাজ্যৰ ৩ কোটি ৫০ লাখ জনসাধাৰণৰ হৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অভিনন্দন জনাইছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ড° শৰ্মাই কয়, যে প্ৰধানমন্ত্ৰ মোদীৰ নেতৃত্বত অসমে কেৱল উন্নয়নৰ ক্ষেত্ৰত গতি লাভ কৰাই নহয় বৰং নতুন সম্ভাৱনা, নতুন আত্মবিশ্বাস আৰু নতুন পৰিচয়েৰে দেশৰ বিকাশ যাত্ৰাৰ শক্তিশালী কেন্দ্ৰ হিচাপে আত্মপ্ৰকাশ কৰিছে। বৰ্তমানৰ নতুন অসমৰ এই যাত্ৰাত শ্ৰীমোদীৰ দৃষ্টিভংগী সদায় প্ৰেৰণাৰ উৎস হৈ ৰব বুলি তেওঁ মন্তব্য কৰে।

০০০০০০

ৰাজ্যৰ স্বাস্থ্য খণ্ডক অধিক উন্নত, প্ৰযুক্তি নিৰ্ভৰ আৰু বিশ্বমানৰ কৰি গঢ়ি তোলাৰ লক্ষ্যৰে চিকিৎসা, শিক্ষা আৰু গৱেষণা বিভাগৰ উদ্যোগত আজি গুৱাহাটীত অসম CSR ROUND TABLE 2.0 শীৰ্ষক এটা অনুষ্ঠান অনুষ্ঠিত হয়। স্বাস্থ্য, পৰিয়াল কল্যাণ তথা চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ মন্ত্ৰী অশোক সিংহলে আনুষ্ঠানিকভাৱে এই অনুষ্ঠান উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে উত্তৰ-পূৰ্বাঞ্চলত কৰ্কট ৰোগৰ হাৰ উদ্বেগজনকভাৱে বৃদ্ধি হোৱাৰ কথা উল্লেখ কৰি কয়, যে টাটা গোটৰ সহায়ত গঠন কৰা অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেচনৰ জৰিয়তে ৰাজ্যজুৰি কৰ্কট চিকিৎসাৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা গঢ়ি তোলা হৈছে। ইয়াৰ ফলত ৰোগীসকলে ৰাজ্যৰ ভিতৰতে উন্নত চিকিৎসা সেৱা লাভ কৰিবলৈ সমৰ্থ হৈছে বুলি শ্ৰী সিংহলে উল্লেখ কৰে। বিদ্যালয়সমূহত গঠন কৰা স্বাস্থ্য ক্লাবসমূহৰ ভূমিকাত আলোকপাত কৰি তেওঁ কয়, যে সুস্থ সমাজ গঢ়াৰ বাবে বিদ্যালয় পৰ্যায়ৰ পৰাই স্বাস্থ্য সচেতনতা সৃষ্টি কৰিব লাগিব। শ্ৰী সিংহলে উল্লেখ কৰে যে স্বাস্থ্যখণ্ডৰ চৰকাৰৰ বৃহৎ বিনিয়োগ অব্যাহত আছে যদিও কোনো কোনো ক্ষেত্ৰত দ্ৰুত বিকাশৰ বাবে কৰ্প'ৰেট সামাজিক দায়বদ্ধতাৰ অংশীদাৰিত্বও অতি গুৰুত্বপূৰ্ণ। ইয়াৰ বাবে তেওঁ প্ৰযুক্তি প্ৰতিষ্ঠান, চিকিৎসা সঁজুলি নিৰ্মাতা সংস্থা, বিনিয়োগকাৰী শিক্ষানুষ্ঠান আৰু ষ্টাৰ্টআপসমূহক ৰাজ্যৰ স্বাস্থ্যখণ্ডৰ ৰূপান্তৰমূলক যাত্ৰাত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়।

০০০০০০০

ৰাজ্য চৰকাৰে সৰ্বাত্মক আৰু বাধাৰহিত শিক্ষা সুনিশ্চিত কৰাৰ উদ্দেশ্যে সমগ্ৰ ৰাজ্যৰ চাহ বাগিচা এলেকাৰ শিক্ষাৰ্থীসকলৰ বাবে বিনামূলীয়া পৰিবহণ উদ্যম মুকলি কৰিছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি সামাজিক মাধ্যমযোগে এইকথা সদৰি ক ৰে। তেওঁ কয় যে যাতায়াতৰ অসুবিধাৰ বাবে শিক্ষাৰ্থীয়ে আধাতে বিদ্যালয় এৰাৰ সমস্যা ৰোধ কৰাৰ উদ্দেশ্যে ‘বিনামূলীয়া পৰিবহণ-সুৰক্ষা বাহন সুবিধা’ নামৰ এই আঁচনিখন বিকশাই তোলা হৈছে। তেওঁ কয় যে এই পদক্ষেপৰ জৰিয়তে চাহ বাগিচা অঞ্চলত বাস কৰা উপান্ত আৰু দুখীয়া সম্প্ৰদায়ৰ প্ৰথমৰ পৰা দশম শ্ৰেণীলৈ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলক বিনামূলীয়া পৰিবহণ সুবিধা প্ৰদান কৰা হ’ব আৰু ই বিদ্যালয়ত শিক্ষাৰ্থীসকলৰ নিয়মীয়া উপস্থিতি নিশ্চিত কৰাত সহায় কৰিব। ৰাজ্যৰ এঘাৰখন জিলাত অহা বছৰৰ ৩১ মাৰ্চলৈ ৰূপায়িত হ’বলগীয়া এই আঁচনিৰ জৰিয়তে ১৯৮ খন বিদ্যালয়ৰ ৯  হাজাৰৰো অধিক ছাত্ৰ-ছাত্ৰী উপকৃত হ’ব। আঁচনিৰ অধীনত প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষাবৰ্ষটোত ৫ হাজাৰ ৪০০ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰা হ’ব আৰু বিদ্যালয় পৰিচালনা সমিতিৰ জৰিয়তে স্থানীয় পৰ্যায়ত পৰিবহণৰ ব্যৱস্থা কৰা হ’ব।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে  আঁচনিখন সন্দৰ্ভত মত প্ৰকাশ কৰি কয়, যে ইয়াৰ ফলত হাজাৰ হাজাৰ শিক্ষাৰ্থীৰ বিদ্যালয়মুখী যাত্ৰা অধিক সুৰক্ষিত আৰু সহজ হৈ উঠিব।  তেওঁ কয় যে ৰাজ্যত ইতিমধ্যে ৰূপায়ণ হৈ থকা পদক্ষেপসমূহৰ লগতে এই ব্যৱস্থাই চাহ বাগিচা অঞ্চলৰ সন্তানসকলৰ শিক্ষা জীৱন অধিক সুদৃঢ় কৰিব। ৰাজ্যৰ প্ৰতিগৰাকী শিক্ষাৰ্থীৰ বাবে শিক্ষাৰ সমান সুযোগ নিশ্চিত কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ বুলি তেওঁ মন্তব্য কৰে।

০০০০০০

বাক্সা জিলাৰ সদৰ মুছলপুৰত আজি অভিভাৱক মন্ত্ৰী চৰণ বড়োৱে জিলাখনৰ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলৰ সৈতে আলোচনাত মিলিত হয়। মন্ত্ৰীগৰাকীয়ে বাক্সা জিলাৰ আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত বাক্সা জিলাৰ বিধায়কদ্বয় মনেশ্বৰ ব্ৰহ্ম আৰু থানেশ্বৰ বসুমতাৰী, বিটিচি চৰকাৰৰ কাৰ্যবাহী সদস্য আগাষ্টুচ টিগগা, বেগম আখতাৰা আহমেদ, জিলা আয়ুক্ত কিমনে ছেংচান, অতিৰিক্ত আয়ুক্তকে ধৰি ৰাজনৈতিক নেতা আৰু জিলাখনৰ গুৰুত্বপূৰ্ণ চৰকাৰী বিভাগৰ মুৰব্বী বিষয়াসকলৰ সৈতে মত বিনিময় কৰে। জিলাখনত সঘনাই অব্যাহত থকা হাতী-মানুহৰ সংঘাত বানপানী আৰু গৰা খহনীয়াৰ সমস্যা, খোৱাপানী আৰু জলসিঞ্চনৰ সমস্যাৰ  বিষয়ে বৈঠকত আলোচনা কৰে। ইফালে, বি টি এ ডিৰ ওদালগুৰিৰ পৰা বাক্সা চিৰাঙৰ মাজেৰে কোকৰাঝাৰলৈ এটা ৰে’লপথ নিৰ্মাণৰ কাৰণে ৰাইজৰ দাবীৰ কথা বিভাগীয় কৰ্তৃপক্ষৰ লগত আলোচনা কৰাৰ কথাও মন্ত্ৰীগৰাকীয়ে ব্যক্ত কৰে।

***বাইট - চৰণ বড়ো***

ইফালে মন্ত্ৰীগৰাকীয়ে অভিভাৱকৰ দায়িত্ব পোৱা চিৰাং জিলাও আজি ভ্ৰমণ কৰে। জিলাখনৰ কাজলগাঁৱত বিয়লিৰ ভাগত উপস্থিত হৈ তেওঁ জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে।

০০০০০

তৃণমূল কংগ্ৰেছৰ সাংসদ সুস্মিতা দেৱে ৰাজ্যসভাৰ সদস্য পদ ত্যাগ কৰিছে। শ্ৰীমতী দেৱে ৰাজ্যসভাৰ সভাপতি চি পি ৰাধাকৃষ্ণণলৈ পদত্যাগ পত্ৰ প্ৰেৰণ কৰিছে। পদত্যাগৰ পাছতে তেওঁ নতুন দিল্লীত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰে। উল্লেখযোগ্য যে অসম প্ৰদেশ কংগ্ৰেছৰ জ্যেষ্ঠ নেতা সন্তোষ মোহন দেৱৰ কন্যা  সুস্মিতা দেৱে ২০২১ চনত কংগ্ৰেছ দল ত্যাগ কৰি তৃণমূল কংগ্ৰেছত যোগদান কৰিছিল। শিলচৰ লোকসভা সমষ্টিৰ পৰা তেওঁ সাংসদ হিচাপেও নিৰ্বাচিত হৈছিল। দলত্যাগৰ পাছত সাংবাদিকৰ আগত শ্ৰীমতী দেৱে এইদৰে কয় –

বাইট

০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি জনতা ভৱনত বিনামূলীয়া পাঠ্যপুথি সম্পৰ্কীয় ৰাজ্যিক পৰ্যায়ৰ সমিতিৰ সদস্যসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত ২০২৭-২৮ শিক্ষাবৰ্ষ আৰু ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে বিনামূলীয়া পাঠ্যপুথিৰ কাগজ ক্ৰয়, মুদ্ৰণ, পৰিবহণ আৰু বিতৰণ সংক্ৰান্তীয় গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত আলোচনা কৰা হয়। তদুপৰি বিভিন্ন কাৰ্যসূচীৰ সময়সীমা,

শিক্ষাসেঁতু, দৰ্পণ প'ৰ্টেল আদিৰ জৰিয়তে নামভৰ্তিৰ তথ্য, প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ বাবে প্ৰয়োজনীয় বিত্তীয় সাহায্য, নতুনকৈ প্ৰৱৰ্তন কৰা পাঠ্যপুথিসমূহৰ মুদ্ৰণ ব্যয় তথা পাঠ্যপুথি সহজে লাভ কৰাটো নিশ্চিত কৰাৰ বাবে ই-বুকৰ ব্যৱস্থাকে ধৰি অন্যান্য ডিজিটেল পদক্ষেপ সন্দৰ্ভত আলোচনা কৰা হয়। ডাঃ পেগুৱে বিষয়াসকলক সকলো কাৰ্যসূচী নিৰ্ধাৰিত সময়ৰ ভিতৰত ৰূপায়ণ কৰাটো নিশ্চিত কৰিবলৈ আৰু তথ্যভিত্তিক পৰিকল্পনাত স্বচ্ছতা বজাই ৰাখিবলৈ আহ্বান জনায়।

0000000

কামৰূপ জিলাৰ আমিনগাঁৱত আয়ুক্তৰ কাৰ্যালয়ত আজি নৱনিযুক্ত অভিভাৱক মন্ত্ৰী তথা ৰাজ্যৰ কেবিনেট মন্ত্ৰী অজন্তা নেওগৰ এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। জিলাখনৰ অভিভাৱক মন্ত্ৰী হিচাপে নিযুক্তি পোৱাৰ পাছত প্ৰথমবাৰৰ বাবে জিলাখনৰ সদৰ আমিনগাঁওৰ আয়ুক্ত কাৰ্যালয়ত মন্ত্ৰীগৰাকী উপস্থিত হয়। মন্ত্ৰীগৰাকীয়ে জিলাখনৰ প্ৰতিটো বিভাগৰ মুৰববীসকলৰ লগত পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰাৰ লগতে এখন সংবাদমেল সম্বোধন কৰে। সংবাদমেলত ঐতিহাসিক জিলাখনত ৰূপায়ণ হৈ থকা চৰকাৰী কল্যাণমূলক আঁচনিসমূহ খৰতকীয়া আৰু সম উন্নয়ন কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। লগতে জিলাখনৰ সকলো উন্নয়নমূলক আঁচনি তথা জিলাখনৰ সকলো কাম-কাজ সুন্দৰভাৱে পৰিচালনা কৰিবলৈ সকলো বিষয়া-কৰ্মচাৰীক নিৰ্দেশ প্ৰদান কৰে। উল্লেখযোগ্য যে, পৰ্যালোচনা সভাত কমলপুৰ বিধানসভা সমষ্টিৰ বিধায়ক দিগন্ত কলিতা, হাজো-শুৱালকুছি বিধানসভা সমষ্টিৰ বিধায়ক প্ৰকাশ দাসো উপস্থিত থাকে।

00000

**সমাপ্ত**